समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



এটা খড়গ থকা গঁড় অসমৰ সম্পদ,
এই গঁড় বধ কৰাজন অসমৰ বৈৰী।

নৱম শ্ৰেণীৰ বাবে

প্ৰথম ভাগ

অসমীয়া সাহিত্য চয়নিকা (নতুন)

(বাধ্যতামূলক)

পাঠ ৬

অন্যৰ প্ৰতি ব্যৱহাৰ

অংশ - ২
ড° প্ৰণীতা শৰ্মা বৰদলৈ

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১।

(ক) 'সাৰথি' পুথিখন কাৰ ৰচনা?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰশ্নাৱলী

ভাব-বিষয়ক :

১।

(ক) 'সাৰথি' পুথিখন কাৰ ৰচনা?

উত্তৰঃ 'সাৰথি' পুথিখন সত্যনাথ বৰাৰ ৰচনা।

(খ) কি নজনাৰ নিমিত্তে বহুত মানুহে জীৱনত নানাবিধ উপদ্ৰৱ ভুগিবলৈ পায়?



(খ) কি নজনাৰ নিমিত্তে বহুত মানুহে জীৱনত নানাবিধ উপদ্ৰৱ ভুগিবলৈ পায়?

উত্তৰঃ মানুহৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিলে বা কেনেকৈ চলিলে সুখে- সন্তোষে কাল নিয়াব পাৰি সেই কথা নজনাৰ নিমিত্তে বহুত মানুহে জীৱনত নানাবিধ উপদ্ৰৱ ভুগিবলৈ পায়।

(গ) কোনটো শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ?



(গ) কোনটো শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ?

উত্তৰঃ অবাবত কেটেৰা মাত মাতি মানুহৰ মনত বেজাৰ দিয়া শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ।



(ঘ) সজ ব্যৱহাৰৰ অনুপান কি?



(ঘ) সজ ব্যৱহাৰৰ অনুপান কি?

উত্তৰঃ নম্ৰতা সজ ব্যৱহাৰৰ অনুপান।




(ঙ) মনত অহঙ্কাৰ ৰাখি মুখত নম্ৰ হ'লে মানুহক কি কৰা হয়?



(ঙ) মনত অহঙ্কাৰ ৰাখি মুখত নম্ৰ হ'লে মানুহক কি কৰা হয়?

উত্তৰঃ মনত অহঙ্কাৰ ৰাখি মুখত নম্ৰ হ'লে মানুহক ছল কৰা হয়।



(চ) 'এই শ্রেণীৰ মানুহৰ স্বভাৱ নিচেই পাতল'। - ইয়াত কোনটো শ্রেণীৰ মানুহৰ কথা কোৱা হৈছে?



(চ) 'এই শ্রেণীৰ মানুহৰ স্বভাৱ নিচেই পাতল'। - ইয়াত কোনটো শ্রেণীৰ মানুহৰ কথা কোৱা হৈছে?

উত্তৰঃ যিবোৰ মানুহে লগ- লগৰীয়াক হঁহুৱাবলৈ লোকৰ গুপ্ত কথা আনৰ আগত প্রকাশ কৰে তেনেকুৱা মানুহৰ স্বভাৱ নিচেই পাতল।

(ছ) কাৰ লগত সম্বন্ধ ৰাখিলে শঠতাক প্রশ্রয় দিয়া হয়?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(ছ) কাৰ লগত সম্বন্ধ ৰাখিলে শঠতাক প্ৰশ্ৰয় দিয়া হয়?

উত্তৰঃ শঠৰ লগত সম্বন্ধ ৰাখিলে শঠতাক প্ৰশ্ৰয় দিয়া হয়।

(জ) 'বহল ব্যাকৰণ' পুথিখন কাৰ ৰচনা?



(জ) 'বহল ব্যাকৰণ' পুথিখন কাৰ ৰচনা?

উত্তৰঃ 'বহল ব্যাকৰণ' পুথিখন সত্যনাথ বৰাৰ ৰচনা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। চমুকৈ বুজাই লিখা:

(ক) ব্যৱহাৰ প্ৰণালীক সামান্য কথা বুলি কিয় উলাই কৰিব নোৱাৰি?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সংসাৰত সমাজ পাতি সুখে- সন্তোষে চলাত মানুহৰ আচাৰ- ব্যৱহাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ইজনে আনজনক কৰা ব্যৱহাৰেই হ'ল সুখ- শান্তিৰ মূল চাবিকাঠি। "আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়" বোলা আপ্তবাক্য শাৰি ষোল্ল অনাই সচাঁ। ব্যৱহাৰৰ বাবেই একোজন মানুহ সকলোৰে প্ৰিয়পাত্ৰ নাইবা গৰিহণাৰ ভাজন হয়। কাক, ক'ত, কেনেদৰে, কি ব্যৱহাৰ কৰিব লাগে তাক নজনাৰ ফলত বহুত সৎ চৰিত্ৰৰ লোকেও নানান আহুকালত পৰিব লগীয়া হয়। আনহাতে ব্যৱহাৰৰ গুণত অনেক ছলাহী মানুহেও সকলোৰে মৰম বুটলিবলৈ সক্ষম হয়।

আমাৰ সমাজত প্ৰচলিত প্ৰবচন আছে যে - 'কথাত কটা যায়, কথাত বঁটা পায়'- সেয়েহে আচাৰ-ব্যৱহাৰিক সাধাৰণ কথা বুলি নাভাবি আমি মন দি শিকা উচিত।



(খ) বিনয় ভাবত দান কৰিব লাগে বুলি জ্ঞানীসকলে কিয় কৈছে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ কথাতে আছে যে - 'ভাতৰ তিতা সহিব পাৰি, মাতৰ তিতা সহিব নোৱাৰি।' তিতা মাতৰ মানুহে জানি-বুজি কাৰো অহিত নকৰিলেও, কেৱল কঠুৱা মাতৰ দোষতেই সকলোৰে চকুৰ কুটা যেন হৈ পৰে। সিহঁতৰ গাত লক্ষগুণ থাকিলেও অকল তিতা মাতেই সকলোকে ঢাকি পেলায়। তিতা মুখে মাতিলে সহস্ৰ উপকাৰ মানুহে এক তিলে পাহৰে, অৰ্বুদ দানৰ ফল নিমিষতে লয় হয়। আনহাতে, "বিনয় পৰম ভূষণ।" সি কৰিব নোৱাৰা একো নাই। বিনয়ক সকলোৱে ভাল পায় আৰু ক্ষমা কৰে। নম্ৰ ভাৱে আৰু যুক্তিৰে ক'ব জানিলে দুখৰ কথা ক'লেও মানুহ অসন্তুষ্ট নহয়।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সেয়েহে জ্ঞানী সকলে বিনয়ভাৱত দান কৰিব লাগে বুলি কৈছে; অন্যথা নম্ৰতাৰ অভাৱত দানৰ কোনো মহত্ব নাথাকিব।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

২। তাৎপর্য ব্যাখ্যা কৰাঃ

(ক) নম্ৰতা সজ ব্যৱহাৰৰ অনুপান।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ লেখক সত্যনাথ বৰা ডাঙৰীয়াৰ 'অন্যৰ প্ৰতি ব্যৱহাৰ' নামৰ পাঠটিত সজ ব্যৱহাৰ আৰু আচৰণৰ কথা ক'বলৈ গৈ নম্ৰতা সজ ব্যৱহাৰৰ অনুপান বুলি কৈছে। কিয়নো যিদৰে উচিত অনুপানেৰে ঔষধ খালে সি বেছি গুণ দিয়ে; সেইদৰেই ব্যৱহাৰত নম্ৰতা মিহলালে তাৰো উপকাৰ সৰহ হয়। দম্ভালি মাৰি কথা ক'লে সমাজত অপ্ৰিয় হোৱা দেখা যায়। সেইকাৰণে আমি নম্ৰ হোৱা উচিত। নম্ৰতাৰ পৰা মানুহৰ মনৰ উচ্চতাহে প্ৰকাশ পায়। নম্ৰতা এটা মনৰ গুণ, মিঠা মাত তাৰ ফল। মনত নম্ৰতা ভাৱ থাকিলে, সুখেৰে আপোনা- আপুনি মিঠা মাত ওলায়। মিঠা মাতেৰে সকলোৰে অন্তৰ জয় কৰিব পাৰি।

(খ) সোণৰ জেউতি অমান্য কৰিলে নকমে।



উত্তৰঃ সোণ এবিধ বহুমূলীয়া ধাতু। ই সকলোকে আকর্ষিত কৰে। সকলোৱে সোণৰ অলঙ্কাৰ পিন্ধিবলৈ ইচ্ছা কৰে। কিন্তু ইয়াৰ মূল্য অধিক হোৱা বাবে সকলোৱে সোণ কিনিব নোৱাৰে। তাৰ বাবে যদি কোনোবাই সোণক অমান্য কৰিলেও, সোণৰ জেউতি কিন্তু কমি নাযায়। ইয়াৰ দ্বাৰা লেখকে বুজাব বিচাৰিছে যে জ্ঞানী বা মান্যৱন্ত লোকক অমান্য কৰিলেও তেওঁলোকৰ মান নকমে। কিছুমান এনে মানুহ আছে যিয়ে সমাজত সন্মান থকা ব্যক্তিক অসন্মান কৰিলে পুৰুষালি কৰা যেন পায়, সেই দেখি ছল পালে অসন্মান কৰিবলৈ নেৰে। কিন্তু সিহঁতে ভাবি নাচায় যে মান্যৱন্ত বা সন্মানীয় অমান্য কৰি সন্মান কমাব নোৱাৰি।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

ভাষা-বিষয়ক :


৪। বিপৰীত শব্দ লিখাঃ

সুখ, সন্তোষ, সজ, চৰিত্রৱন্ত, কপটীয়া, মিঠা, বিনয়, নম্রতা, লঘু উচ্চ, নিন্দা, গুপ্ত, দোষ, গহীন, আড্যৱন্ত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ



সুখ - দুখ

সন্তোষ - অসন্তোষ

সজ - অসজ

চৰিত্ৰৱন্ত - চৰিত্ৰহীন

কপটীয়া - সৰল

মিঠা - তিতা

বিনয় - উগ্ৰ

নম্ৰতা - উগ্ৰতা

লঘু - গুৰু

উচ্চ - নীচ

নিন্দা - প্ৰশংসা

গুপ্ত - সদৰি

দোষ - গুণ

গহীন - চঞ্চল

আঢ্যৱন্ত - দৰিদ্ৰ

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৫। বাক্য ৰচনা কৰাঃ

চকুৰ কুটা, পেটত কথা ৰাখ্



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ

চকুৰ কূটাঃ- নৱৰ কু-ব্যৱহাৰৰ বাবে সি সকলোৰে চকুৰ কূটাৰ দৰে হৈ পৰিছে ।

পেটত কথা ৰাখঃ- পেটত কথা ৰাখিব নাজানিলে আনৰ গোপন কথা শুনিব নালাগে ।

